
# COLLEGE
# OF
# VETERINARY SCIENCE

ASSAM VETERINARY
AND FISHERY UNIVERSITY:: KHANAPARA,
GUWAHATI--781022

2nd EDITION

2025-2026

# Odyssey



# FOREWARD



**Nabakamal Barthakur**
***Assistant Editor, VETCOL***



**Rajkishore Deka**
***Editor, VETCOL***

We are truly honoured to introduce Odyssey, the student pre-magazine of the College of Veterinary Science, Khanapara.

This magazine mirrors the energy and dedication that thrive within our campus. It showcases the passion, insight, and artistic flair of our students and mentors, who consistently strive to make meaningful contributions to veterinary science and society at large.

The profession of veterinary science extends far beyond animal care—it plays a crucial role in public health, food safety, and environmental preservation. As the world faces evolving health concerns and environmental shifts, veterinary professionals stand at the forefront of change and responsibility. Through this magazine, we celebrate not only academic success but also the creativity and unity that define our institution.

We sincerely appreciate the editorial team for their hard work and vision in bringing this publication to life. May it continue to motivate, inform, and reflect the excellence of our college.



# PROFFESOR-IN-CHARGE'S PEN

## MESSAGE

It gives me immense pride that the Section Vetcol of the College of Veterinary Science Students' Union is publishing the E-magazine Odyssey. Through the process of publishing the Odyssey, you are not only expressing ideas, you are shaping vision, inspiring thought and building character. In the era of transformation, the future belongs to those who dare to lead with integrity and act with purpose. Each one of you has the potential to lead. Leadership begins with self-discipline, grows through perseverance and shines through service to others. It is reflected in your daily actions in teamwork, honesty, resilience and the willingness to lift others as you rise. As you move forward, believe in your ability to make a difference. Your voice matters. Your actions matter. Your leadership matters. You can predict your future by creating it through your action. The E-magazine Odyssey is one of the platform to showcase your intellectual talent and lead others to follow it. I congratulate the entire team for bringing out this issue of Odyssey.



(RAY JYOTI DEKA)

# COLLEGE OF VETERINARY SCIENCE STUDENT'S UNION



**Dr. Manish Borah**
*Vice President*



**Dr. Kukil Saikia**
*Student Representative to the BOS*



**Bidish Bhuyan**
*General Secretary*



**Luit Pratim Saikia**
*Assistant General Secretary*



**Uttam Ruhidas**
**Assistant General Secretar**



**Bijit Islary**
*Secretary, Social Service*



**Sarkuru Terang**
*Secretary, Gymnasium*



**Satyajit Doley**
*Secretary, Music and Culture*



**MD. Minnat Alom Mirza**
*Secretary, Debate & Symposium*



**Bhargav Sankar Nath**
*Secretary, Drama*



**Brishav Haloi**
*Secretary, Fine Arts*



**Debanga Protim Hazarika**
*Secretary, Major Games*



**Prakash Jyoti Das**
*Secretary, Minor Games*



**Rajkishore Deka**
*Editor, VETCOL*



**Nabakamal Barthakur**
*Assistant Editor, VETCOL*



**Mangal Sing Boruah**
*Secretary, Boys' Common Room*



**Dharmistha Borah**
*Secretary, Girls' Common Room*



**Dr. Masum Khan**
*CR, PG*



**Prashanta P. deka**
*$5^{th}$ Year CR*



**Aditya Raj Singh**
*$4^{th}$ Year CR*



**Yah Arif Kamal**
**$3^{rd}$ Year CR**



**Nishad Majumdar**
**2nd Year CR**



**Ujjal Bikash Nath**
**1st Year CR**

# CURRENT BATCHES OF COLLEGE OF VETERINARY SCIENCE, KHANAPARA



25-VK




24-VK



23-VK

# CURRENT BATCHES OF COLLEGE OF VETERINARY SCIENCE, KHANAPARA



22-VK



21-VK

# এক যুগ, এক কণ্ঠ, এক নাম – জুবিন গাৰ্গ

Deepjyoti Das



১৯৭২চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত এগৰাকী সংগীত মহাৰথীৰ জন্ম হৈছিল।যাৰ নামেই পৰিচয়। তেওঁ হৈছে আমাৰ মৰমৰ হিঁয়াৰ আমঠু জুবিন গাৰ্গ।জুবিনৰ পিতৃৰ নাম আছিল মোহিনী. এম. বৰঠাকুৰ আৰু মাতৃৰ নাম আছিল স্বৰ্গীয়া ইলি বৰঠাকুৰ।

সংগীত জগতৰ পৰিসৰ অতি বিশাল।এই বিশাল ক্ষেত্রত ধাৰাবাহিকভাৱে শ্ৰোতাৰ প্ৰিয়ভাজ হৈ থকাটো অতি কঠিন কাম। বৰ্তমান সংগীত জগতখনত শিল্পীসকলৰ জনপ্ৰিয়তাক দিক নিৰ্ণয়কাৰীসকল হ'ল আমাৰ যুৱ প্ৰজন্ম। শেহতীয়াভাৱে ভাৰতৰ সংগীত জগতত নবীন শিল্পীৰ আত্মপ্ৰকাশৰ জোৱাৰ উঠিছে। তাৰ ভিতৰত এগৰাকী অন্যতম শিল্পী হ'ল অসমৰ সু-সন্তান, অসম গৌৰৱ জুবিন গাৰ্গ।

ডº ভূপেন হাজৰিকাৰ পিছতে জুবিন গাৰ্গে অসমভূমিৰ পৰা দেখিছে সংগীতেৰে বিশ্ব জয় কৰাৰ সপোন। সংগীতৰ বিশ্বখন হাতৰ মুঠিলৈ আনিব বিচৰা, ইউকেলিপ্টাচৰ দৰে ওখ হ'ব বিচৰা জুবিন গাৰ্গে আজি সাফল্যৰ আকাশ চুব পাৰিছে কিঞ্চিৎ হ'লেও। গীতৰ পৰা কবিতালৈ, লোকগীতৰ পৰা পশ্চিমীয়া সংগীতলৈ সংগীতৰ মহাসমৰত জঁপিয়াই পৰা জুবিন গাৰ্গ এজন লাচিতৰ দেশৰ সাংস্কৃতিক সৈনিক। জুবিনৰ সংগীতৰ জয়যাত্ৰাৰ আমি সহযাত্ৰী হিচাপে শিল্পীগৰাকীক উৎসাহ দিয়াটো অতি প্ৰয়োজন ওপজা গাঁৱৰ পৰা ৰাজ্য তথা দেশৰ পৰিসীমা অতিক্ৰম কৰি সাত সাগৰ তেৰ নদী পাৰ হৈ বিদেশতো কণ্ঠৰ অমৃত বিলাইছে জুবিন গাৰ্গে। লুইতৰ পাৰৰ গীত-সুৰক সিন্ধু, গংগা-কাবেৰীৰ সৈতে মিলাই টেমছ-মিছিছিপিৰ পাৰত বিলাইছেগৈ জুবিন গাৰ্গে।এয়া অসমবাসীৰে গৌৰৱ, দেশৰ গৌৰৱ।

জুবিনৰ গান মানেই জনপ্ৰিয়তা। অন্ততঃ অসমত আজিৰ তাৰিখত এয়াই সত্য। শিল্পী গৰাকীৰ জীৱনৰ ৰঙীন সপোন, শৈশৱৰ ধেমালী, জীৱন ৰামধেনুৰ বিচিত্ৰ ৰঙবোৰ, ভাবৰ বুৰবুৰণিবোৰে জনসাধাৰণৰ মাজত সাজ বহুৱাইছে।

কোৱা হয় সংসাৰ মৰুভূমিত সংগীত সৰোবৰ দেৱতাৰ দান।ভগৱানে নাৰী সৃষ্টি কৰি পৃথিৱীলৈ পূৰ্ণতা আনিলে আৰু সংগীত সৃষ্টি কৰি তাতে ৰং সানিলে।ভাষা বুজি নোপোৱাজনেও সংগীত বুজি পায়।গ্যেটেয়ে কৈছিল-- সদায় পুৱা এটা ভাল গান শুনিবা। দাৰ্শনিক ভল্টেয়াৰে কোৱাৰ দৰে আধুনিক পৃথিৱীখন শাসন কৰিছে কেৱল কিতাপে;সেইদৰে ক'ব পাৰি মানুহক শাসন কৰিছে কেৱল সংগীতে।

জুবিন গাৰ্গ এটি নাম নহয় এটি মনোৰম অনুষ্ঠান। জুবিন গাৰ্গৰ গীত যুৱ-প্ৰজন্মৰ এক চিকিৎসা। যাৰ কণ্ঠত বৰষে অমৃতৰ সুৰ, যাৰ গীত শুনি তন্দ্ৰাৰতৰ তন্দ্ৰা ভাগে, নিদ্ৰাহীনৰ চকুত টোপনিৰ ভাব জাগে।এক প্ৰকাৰে 'মিউজিক থেৰাপি'। জুবিন গাৰ্গ সংগীত জগতৰ নি:সন্দেহে এক মাইলৰ খুঁটি। শিল্পী গৰাকীয়ে অসমৰ সংগীত জগতলৈ এক "ট্ৰেণ্ড" আনিলে।সংগীতেই জুবিন গাৰ্গৰ সংগ্ৰামৰ এক অস্ত্ৰ।

* কণ্ঠশিল্পী ৰূপে জুবিনৰ পৰিচয়:-

১৯৯২ চনত অনুষ্ঠিত যুৱ মহোৎসৱত পাশ্চাত্য একক পৰিৱেশনত স্বৰ্ণ পদক অৰ্জন কৰাটোৱেই আছিল জুবিনৰ জীৱনৰ টাৰ্ণিং পইণ্ট।ইয়াতেই জুবিনে কণ্ঠশিল্পীৰূপে জীৱনত প্ৰথমবাৰৰ বাবে সফলতা আৰু বিশ্বাসৰ সোৱাদ পায়। ঢোল, দোতাৰা, মেণ্ডলিনৰ দৰে বাদ্যযন্ত্ৰ বজোৱাৰ উপৰিও জুবিন এজন কৃতী কী-বৰ্ড প্লেয়াৰ।১৯৯২ চনত প্ৰথম এলবাম অনামিকা মুক্তি হোৱাৰ লগে লগে তেওঁ পেছাদাৰী সংগীত জগতখনত সোমাই পৰে। এই অগতানুগতিক এলবামটোয়ে অতি কম সময়তেই সমগ্ৰ উত্তৰ-পূব ভাৰতত ইন্ষ্টেণ্ট হিটৰূপে জনপ্ৰিয়তাৰ শীৰ্ষতা অতিক্ৰম কৰিছিল আৰু আহি থকা একৈশ শতিকাৰ অসমীয়া সংগীতৰ দৃশ্যপটৰে নতুন সংজ্ঞা দাঙি ধৰিছিল। তাৰ পিছত, জুবিনে পিছলৈ আৰু ঘূৰি চাব লগা হোৱা নাই। নিজৰ নামতে প্ৰায় চল্লিশটাকৈ এলবামৰ উপৰিও ভালেকেইখন হিন্দীৰ লগতে বঙালী আৰু ২৪ খনতকৈ অধিক অসমীয়া চলচ্চিত্ৰৰ সংগীত পৰিচালনাৰে জুবিনে সংগীত কেৰিয়াৰ অব্যাহত ৰাখিছে। তেওঁৰ শেহতীয়া বঙালী চিনেমা 'শুধু তুমি'ৰ কাৰণে ২০০৫ চনত তেওঁ শ্ৰেষ্ঠ সংগীত বঁটা লাভ কৰিছে। যদিও জুবিনে নিজকে এজন সংগীতজ্ঞ বুলিহে গণ্য কৰে, তথাপিও এতিয়ালৈকে হিন্দী, তামিল, তেলেগু, পঞ্জাবী, ওড়িয়া, মাৰাঠী, নেপালী আদিকে ধৰি বিভিন্ন ভাষাত তেওঁ অধিক গীত গাইছে। ফিজা, কাঁটে, মুদ্ডা, ব্ৰাইডছ ৱাণ্টেড, গেংষ্টাৰ, প্যাৰ কে ছাইড ইফেক্ট ইত্যাদিৰ দৰে চলচ্চিত্ৰত হিন্দীত জুবিনৰ সংগীত আৰু কণ্ঠৰ কৰ্মৰাজিৰ নিদৰ্শন পোৱা যায়।২০০০ চনত জুবিনে তেওঁৰ নিজা অসমীয়া চলচ্চিত্ৰ তুমি মোৰ মাথোঁ মোৰৰ কাহিনী লিখিছিল, পৰিচালনা আৰু অভিনয় কৰিছিল। ২০০৫ চনত ৰাষ্ট্ৰীয় বঁটা পোৱা আন এখন অসমীয়া চলচ্চিত্ৰ দীনবন্ধুত জুবিনে অভিনয় কৰাৰ উপৰিও সহ-প্ৰযোজনা কৰিছিল আৰু সংগীতেৰে সজাইছিল।তেওঁ সঞ্জয় ঝাৰ দ্বাৰা পৰিচালিত হিন্দী চিনেমা ষ্ট্ৰীংছৰ সংগীত পৰিচালনা কৰিছিল। তেওঁ কণ্ঠদান কৰা অন্যান্য ছবিসমূহ হ'ল- গেংষ্টাৰ, গুড বয় বেড বয়, প্যাৰ কে চাইড এফেক্টছ, বিগ ব্ৰাদাৰ, হামাৰি অধুৰি কাহানী আদি।(উৎস: জুবিন গাৰ্গৰ উইকিপিডিয়াৰ পৰা)

*জুবিন আৰু আমাৰ কল্পনা:-

জনপ্ৰিয়তা সমান্তৰালভাৱে জুবিনে প্ৰায়ে মুখামুখি হৈ আহিছে, জুবিনক লৈ সৃষ্ট একে প্ৰাৱল্যৰ বিতৰ্কৰো ।জুবিনক লৈ প্ৰায়ে শুনা যায় বিতৰ্ক, যেন জুবিন মানে বিতৰ্ক। জুবিনৰ শব্দহীন নীৰৱতা কণ্ঠৰ প্ৰতিবাদ আমি সহজে অনুমান কৰিব নোৱাৰোঁ,যাৰ বাবে আমি জুবিনক লৈ সৃষ্ট হোৱা বিতৰ্কত জুবিনক ধেৰ নেতিবাচক সমালোচনা কৰোঁ। জুবিন গাৰ্গৰ গায়ন শৈলী, শব্দ উচ্চাৰণৰ স্পষ্টতা, শব্দৰ ব্যঞ্জনাসিক্ত আবেদনময় কণ্ঠ,সুৰৰ নতুনত্ব, সংগীতৰ ব্যৱস্থাপনাৰ স্বকীয় ৰীতি আৰু আধুনিক লোক-সংগীতৰ সুৰ আৰু থলুৱা বাদ্যযন্ত্ৰৰ প্ৰয়োগ- এই সকলোখিনিৰে সংগম হৈছে শিল্পীজনৰ গানত। আমাৰ দৃষ্টিত জুবিন সদায় জুবিন গাৰ্গ হৈ থকাটো বিচাৰিছোঁ। জুবিন সদায় দুখীয়া মানুহৰ বাবে সহায়ৰ হাত। বহুতো দৰিদ্ৰলোকৰ বাবে ভগৱান স্বৰূপ । শিশু সুলভ জুবিন সদায় সাধাৰণভাৱে জনতাৰ মাজত জীয়াই থাকিব বিচাৰে। অসমীয়া মানুহৰ বাবে জুবিনে কিবা কৰিব বিচাৰে, নৱ-প্ৰজন্মৰ বাবে নতুন প্ৰভাতৰ সৃষ্টিৰ জোৱাৰ আনিব বিচাৰে।

কোনো ব্যক্তিগত মুনাফা অৰ্জনৰ চিন্তা নকৰে জুবিনে। জুবিন গাৰ্গে ৰাজনৈতিক প্ৰেক্ষাপটত চিৰদিন জিলিকি থকাৰো পৰিকল্পনা নকৰে। জাতিৰ জটিল সন্ধিক্ষনত প্ৰথমে কিন্তু জুবিনে ৰাইজৰ পক্ষত থিয় দিয়ে।সেই জুবিনক কিন্তু আমি ভুল বুজি ভিন্ন জনে তেওঁৰ ওপৰত মতপোষণ কৰোঁ। আচলতে জুবিনে থলুৱা অসমীয়া মানুহৰ কথা ভাবি আমাৰ পথাৰ,আমাৰ বজাৰ বুলি প্ৰথমে চিঞৰি এক নতুন সৃষ্টিৰ নতুন জাগৰণৰ সৃষ্টি কৰিব বিচাৰে। আন্দোলন চলি থাকে চলি থাকিব, সেইবুলি জাতিক বিক্ৰী কৰিব বিচৰা মানুহৰ বাবে জুবিন সদায় সৰৱ। সেইবাবে জুবিন গাৰ্গক লৈ আমাৰ কল্পনা বহুত।গতিকে আমাৰ হিঁয়াৰ আমঠু জুবিন গাৰ্গ সদায় জুবিন গাৰ্গ হৈ থকাটো বিচাৰোঁ। জুবিনে আৰু নৱ- প্ৰজন্মৰ জীৱনৰ বাবে আদৰ্শ হৈ থাকিব ।কাৰণ জুবিন গাৰ্গে কেতিয়াও এন্ধাৰ হ'ব নোৱাৰে আৰু আনকো আন্ধাৰত থাকিব নিদিয়ে। জুবিনক লৈ আমাৰ প্ৰজন্মৰ কল্পনা বহুত।২০২৫ বৰ্ষৰ ১৯ চেপ্তেম্বৰৰ দিনা খন প্ৰাণৰ শিল্পী গৰাকীয়ে আমাক কন্দুৱাই চিৰদিনৰ বাবে বিদায় ল'লে।এটা যুগৰ অৱসান ঘটিল, এটি উজ্জ্বল নক্ষত্ৰ সীমনাতে থমকি ৰ'ল । জুবিন কেতিয়াও আমাৰ মাজৰ পৰা হেৰাই যাব নোৱাৰে, জুবিনৰ সৃষ্টি আৰু কৃষ্টি আমি প্ৰত্যোকজন অসমীয়াই ধৰি ৰাখিব লাগিব আৰু আমাৰ মাজত এই মহান শিল্পীজনক জীয়াই ৰাখিবলৈ সদায় চেষ্টা কৰিব লাগিব। সেইবাবে তেওঁ.......

জুবিন জুবিনে,  
এটা সেউজীয়া গান  
অনুৰাগীৰ বাবে প্ৰাণ।



লেখক  
ডাঃ আজিজুৰ ৰহমান(৮৭৫৩৯-৭৮৫৪৩)  
স্নাতকোত্তৰ ছাত্ৰ  
পশু উৎপাদন আৰু প্ৰতিপালন বিভাগ।  
পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়,খানাপাৰা

# POETRY

## Touching What I Once Feared

I once ran from barks and silent paws,
A childhood wound, with lasting claws.
A dog's sharp bite, a fear so deep,
That hunted even in my sleep.

But fate had stitched another page,
In vet college, I found my stage.
Where fear gave way to gentle grace,
And love for animals took its place.

From trembling steps to steady hands,
I learned to heal, to understand.
No longer fleeing – now I care,
A bond once broken, now repaired.

*Jubair Hussain*
*2024-VK-116*



## Not what eyes see

Behind the smiles, there are
secrets we hold,
Stories of peace, yet hearts
troubled by storms untold.

Battles we fought, the scars
that still remain,
Quiet eyes that hide the rain,
Wounds still fresh, though
smiles may shine so bright,
Hidden worlds within, and
struggles kept private tonight.

We see the face, and the
outward show,
But only we know our inner
truths, and the whispers low.
Our path, our heart's deep sigh,
A journey unique, as we
navigate the uncertain sky.

So let kindness be our
gentle guide,
For all have hearts that feel,
and souls that strive.
Forgive the rough, the bold,
and the unkind,
For each one walks a path,
with a story uniquely their
own, left behind.

*Diya Sangroula*
*2025-VK -106*



## The Unanswered Questions



Why are there sufferings, pain and an end?
Where does the soul go?
Despite the loss, the show must go on.

Does an afterlife exist?
If so, will souls inhabit their previous bodies again?

Will they get to fulfill their dreams, the life they envisioned for themselves?

What about those left behind? Won't they feel empty too?

Yet, the world remains unchanged, before and after ,like nothing really happened.

Is death the truth of life ?
Even if it is the truth, why does every loss bring heartache and melancholy?
Where do we find peace and when?

*Diya Sangroula*
*2025-VK -106*

## God was weak

you whacked me for my misdeeds
Held me when I was broken
taught me how to read
Who are you?

are these the same hards? So cold
Words ranished ,So much Chaos!
Wind blowing ,eyes still
Who are you?

In despair, the sunsets.
ashes throughout,wet cheeks
multifold grarity, ererything's heavy
Were you my god!

*Manash Jyoti Dutta*
*24 -VK -41*



## Cancer

Aaghaz
Who stole my Muscles ?Where are they gone?
Anxious by the fact that I can't outrun my son,
Why do I feel so hot nowadays?
Stay a little longer with me

Wast
Who left these black flowers ? Red ones are gone.
Why no fresh air only wheezing sound ?
Why does the bolus tastes like blood ?
Stay with me if you want to


Akhtatam
Stay away , can't kiss you as my lips are chapped
Stay away, can't hold you in my arms as my body is soggy
stay away, I'm too ugly chemo took my hairs
stay a little longer today and bury me till I disappear.

*Manash Jyoti Dutta*
*24 -VK -41*

## The Curious Explorer

I linger in a world where ...
Hand speaks more than mouth does,
Authors dictate and readers memorise,
Everyone is abundant in erudition
but in debt to their emotions,
Brewing laughters and teary eyes,
Burning days and freezing nights,
And yet the passion never dies,
To glimpse into a new chapter,
a new emotion, a new journey,
That curious mind of the never growing child ,
Which just craves for more,
Pain or Joy it takes it all ;
Just for a break from this brutal world.

*- Anishka Khound*
*(UG 2nd year)*



"Ephemeral Beauty🌸"

A flower blooms, so vibrant and bright
A transient  beauty, pure delight
Like our lives, they unfold with each day
A chance to sparkle, in a unique way

With threads of kindness,  love and light,
Our essence blossoms through endless night
But shadows creep and darkness may fall,
Our petals fall ,and our story's in vain

Like flowers, we bloom , we thrive, we fall
In life's harsh winter, hear the bloom's refrain,
It's not too late, rise and bloom again.

~Vinika I Yeptho





## গোলাঘাট

গোলাঘাট, ইতিহাসৰ সোণালী অধ্যায়,
ধনশিৰীৰ কূলত গঢ় ল’লে সময়ৰ ছায়া।
আহোম ৰাজত্বৰ পদচিহ্নেৰে ভৰা মাটি,
বীৰত্ব আৰু সংস্কৃতিয়ে গঢ়িলে জাতিৰ জ্যোতি।
চাহ বাগিচাৰ সেউজীয়া সপোনেৰে ভৰা প্ৰাণ,
ব্ৰিটিছ যুগত গুঞ্জৰিলে পৰিশ্ৰমৰ গান।
স্বাধীনতা সংগ্ৰামত জ্বলিল দীপশিখা,
বীৰ সন্তানৰ ত্যাগত উজ্জ্বল হ’ল দিশা।
নুমলীগড়ৰ দুৰ্গে কয় ইতিহাসৰ কথা,
লোকসংস্কৃতি, ভাষা—এই মাটিৰ আস্থা।
গোলাঘাট আজি অতীত-বৰ্তমানৰ সাঁকো,
অসমৰ গৌৰৱৰ এক অনন্ত শাকো।

*-Debanga Pratim hazarika*

## মই নদী

মই স্থিৰতাক অস্বীকাৰ কৰি
বৈ যাব বিচাৰোঁ এক অসীম নীৰৱতালৈ;
অথচ নদীৰ এই চাপৰিতেই আশ্ৰয় দিছোঁ
কিছুমান সৰু সৰু আলফুলীয়া সপোনক।
সপোন বুলি ক'লে কিবা এটা বিলাস যেন লাগে,
আচলতে এইবোৰ মোৰ উপায়বিহীন উশাহ
যিবোৰ কেৱল অস্তিত্বৰ মাজত জীয়াই আছে।
মই জানো, মই মোৰ এই গতিক স্তব্ধ কৰিব পাৰোঁ,
কিন্তু স্তব্ধ হ'লে জানো মই জীয়াই থাকিম?
সেইদিনা তুমি মোৰ বাবে এখন নাও হ'বা,
সোঁতৰ বিপৰীতে বৈ যাবলৈ মোক সাহ দিবা;
মই এই উত্তাল পৰিৱেশক নতুন প্ৰাণ দিম,
কিয়নো— মই নদী।.

*-Dr. Nayandeep Kalita*

## বনৰীয়া ফুল

প্ৰেমনো কি?
এপাহ বনৰীয়া ফুল

কোনোবাই গোটেই জীৱনত কল্পনাৰ বাহিৰে
আন ক'তো এবাৰো দেখাই নাপালে
কোনোবাই আকৌ দূৰৰ পৰাহে দেখিলে,
কাষত নাপালে

কোনোবাই গম নোপোৱাকৈয়ে তাক গচকি পাৰ হৈ গ'ল
কাৰোবাৰ গাত আকৌ বতাহেই উৰুৱাই আনি পেলাই দিলে,
বিচাৰিবলগীয়াই নহ'ল !

কোনোবাই যেনিবা বুটলি ঘৰলৈ লৈ আহিব খুজিছিল
পিছত বুজিলে প্ৰেম যে স্বাধীন, বান্ধিব পৰা নগ'ল

কোনোবাই আকৌ তাক পাবলৈ গৈ
নিজেই বনৰীয়া হৈ গ'ল ।

- অংকিতা ভৰদ্বাজ
স্নাতক দ্বিতীয় বৰ্ষ

## ফাগুন

পলাশৰ ৰং সানি নামি আহিছে আজি ফাগুন।
ধূলি উৰুৱাই আহিছে মতলীয়া বতাহজাক।
আৰু সেই মদাৰৰ সুবাস!
উফ্! কি ৰুক্ষ এই ফাগুনী বতাহ।
চাৰিওফালে যেন সৰাপাতৰ দলিচা।
নাচি উঠিছে মন আজি শিমলু তুলা হৈ,
ফাগুনী পছোৱাত বাউলী মনক সামৰো কেনেকৈ?
সোণোৱালী পথাৰ, শুকান মাটিৰ গোন্ধ,
ফাগুন হ'ল বিদায়ৰ প্ৰাক্ক্ষণৰ এটি মিঠা হাঁহি,
প্ৰকৃতিৰ বুকুত সিঁচি দিয়েহি নতুনৰ আৰম্ভণি।
দৌলৰ ৰঙেৰে ফাগুনে বিয়পাই
ভালপোৱা,আনন্দ, একতা,
কুলিৰ মাতত ম্লান পৰে নিস্তব্ধতা।
ৰঙা পলাশী ৰঙে হৃদয় চুই যায়,
চঞ্চলা ফাগুনে আজি প্ৰেমৰ গীত জুৰায়।

সুস্মিতা বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ

## অৰণ্যৰ ক্ৰন্দন- মোলাই কাঠনি ২.০

প্ৰকৃতিক ভাল পাওঁ
বুলি কোৱা মানুহজন যেন
আজি নীৰৱ হৈ পৰিছে।
প্ৰকৃতিক ভাল পাওঁ
বুলি কোৱা মানুহজন যেন
আজি নিশব্দ হৈ পৰিছে।
প্ৰকৃতিক ভাল পাওঁ
বুলি কোৱা মানুহজন
আজি যেন ভাগি পৰিছে।
"Forest Man Of India"বুলি কোৱা মানুহজনক
আজি আমি কি দিলো...?
কেৱল দুখ, বেদনা আৰু বেদনা।
আজি যেন প্ৰকৃতিক ভালপোৱা মানুহবোৰো
অপৰাধী হৈ পৰিছে।।

- সুদেষ্ণা শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ



## নৈঃশব্দ

নীলা ৰংবোৰ আজি ক'লৈ উৰিছে
এন্ধাৰত বাট নোপোৱা এটি চগাই উচুপিছে
কোনোবা শূণ্য কেঁকুৰিত;
নীলা ৰংবোৰ একোগছি চাকি হৈছে
আইৰ আঁচলৰ আপোন গোন্ধটোৱে মোক চুই গৈছে
নীলিম নৈঃশব্দৰ ৰাগীত;
চিন্তাত বিভোৰ দুখন মুখত
নীলাবোৰ কোনে সিচিলে
নিমাত আকাশ বতাহ;
শিল হেন গধুৰ মোৰ চকুৰ পতাত
হেজাৰ সপোনৰ নীলা চাকনৈয়া,
পিছে শিপাহীন লতা বগাওনো ক'ত ?
পুৱতিৰ আকাশৰ খহি পৰা ক'লাবোৰত
লুব্ধকে এৰি দিয়া নীলা পোহৰত
সাৰ পালো মই, সাৰ পালে নৈঃশব্দ
আৰু নীলাবোৰ আজি যেন পোহৰত আৱদ্ধ ।।

ডা: মনোজ কুমাৰ নাথ
স্নাতকোত্তৰ

# ARTICLES

# My Marathon Journey: More Than Just a Race

People often think a marathon is about speed, medals, or crossing the finish line first. But for me, running became something deeper — a journey of patience, struggle, and self-belief. Running a Marathon is not just about covering kilometers; it is about crossing the distance between doubt and belief.

My journey did not start on race day. It began on quiet mornings before sunrise, when my alarm rang and my legs felt heavy, but my mind reminded me why I started. Every training run became a promise to myself — to show up even when it was uncomfortable, tiring, or uncertain.

In the beginning, running felt exhausting. My breathing was uneven, my pace inconsistent, and stopping felt easier than continuing. There were moments when quitting seemed tempting. But slowly, something changed. Each kilometer added not just strength to my legs, but discipline to my character. I learned that progress isn't instant — it is built step by step, mile by mile.

Training for a marathon taught me patience and self-awareness. Some days my legs felt powerful; other days they felt sore and tired. Yet I discovered that progress doesn't depend on perfect days. It depends on consistency — on waking up, tying your shoes, and running even when motivation is low. Every run trained my mind as much as my body.

There were also mental battles — rainy mornings, humid afternoons, and days when my mind asked, "Why are you doing this?" Each time, I reminded myself that comfort never creates growth. Running taught me how to control my breathing under pressure, stay calm when tired, and keep moving even when the finish felt far away.

My marathon journey took shape through three meaningful events: the Guwahati Marathon, the SBI Green Marathon, and the NEEPCO Stadium Run. Each race brought a new lesson and a deeper understanding of myself as a runner.

The Guwahati Marathon exposed me to competitive energy for the first time. Standing at the starting line among hundreds of runners, I felt nervous, excited, and proud all at once. When the race began, I didn't sprint — I trusted my training and focused on rhythm instead of rush.

The SBI Green Marathon carried special meaning by combining fitness with environmental awareness. Running for a cause gave me extra motivation. The crowd support, city routes, and shared spirit reminded me that running isn't just personal — it's communal. Every kilometer strengthened both my pace and confidence.

The NEEPCO Stadium Run tested my discipline the most. Stadium tracks demand focus, control, and mental endurance. Every lap forced me to manage breathing, posture, and mindset. It was here that I truly learned pacing.

Across these races, my biggest milestone was finishing my 10K in under one hour. It wasn't about defeating others — it was about defeating the version of myself that once believed ten kilometers was impossible. When I finally saw the finish line, time slowed. All the early mornings, sacrifices, rain runs, and sore muscles replayed in my mind. Crossing it wasn't just finishing a race — it was proving to myself that consistency beats fear.

Running taught me that life works the same way. You don't need perfection, you need persistence. You don't need motivation every day, you need commitment. Comfort never creates growth — growth comes from chasing discomfort.

Acknowledgement

This journey would not have been possible without the guidance and encouragement of Dr. Kanta Bhattacharjee Ma'am and Dr. Sarat Sonowal Sir. Both are not only excellent mentors but also active runners themselves. Their constant motivation, personal example, and belief in me pushed me to stay disciplined even on days when training felt difficult. Their support transformed running from a routine into a purpose, and I remain deeply grateful for their inspiration throughout my marathon journey.

This marathon wasn't the end of my journey.

For me, it is the beginning of running with purpose, discipline, and belief in myself.

*Ankeet Mili*
*2023 Vk 09*

# গল্প : এটি বিমৰ্ষ দুপৰীয়া

এটা বৃহৎ শব্দ কৰি মাটি কঢ়িওৱা ট্ৰাক দুখন গাঁওখনৰ জৰাজীৰ্ণ পকী ৰাস্তাটোৰে পাৰ হৈ গ'ল৷ শীতৰ এই কোমল দুপৰীয়াটোৰ মৌনতা ভংগ হ'ল আৰু গোটেই পৰিৱেশটো ধূলিৰে আৱৰি ধৰিলে৷ আজি ৰাতিপুৱাৰে পৰা প্ৰায় আধাঘণ্টাৰ মূৰে মূৰে এই ট্ৰাকবোৰ গাঁওখনৰ সিমূৰৰ পৰা অহা-যোৱা কৰি আছে৷ সেই নামঘৰ চুকৰ ধনীৰাম মাউতৰ একমাত্ৰ ল'ৰা প্ৰবীণে যোৱাকালি চাকৰিৰ পৰা এমাহৰ চুটি লৈ ঘৰলৈ আহিছে; যোৰহাটৰ এখন চাহ-বাগানৰ চাকৰি৷ আৰু গাঁৱৰ পৰা নিলগত কেইদিনমান পূৰ্বে কিনি থোৱা মাটিত নতুন এটা ঘৰ সাজিবলৈ মন মেলিছে; এয়া তাৰেই প্ৰস্তুতি চলিছে৷ প্ৰবীণৰ দেউতাক ধনীৰামে ডেকাবয়সত মাউতৰ প্ৰশিক্ষণ লৈ কামত নিয়োজিত হৈছিল যদিও তেওঁৰ কিছু পঢ়া-শুনা থকাৰ বাবে গাঁৱত নতুনকৈ নিৰ্মান কৰা মজলীয়া বিদ্যালয়খনত অসমীয়াৰ শিক্ষক হিচাপে কিছুদিন পিছতেই নিযুক্তি পাইছিল৷ কেইবছৰমান অবৈতনিকভাৱে চাকৰি কৰিছিল যদিও নিৰ্মলাক বিয়া কৰি অনাৰ পিছতেই সুখৰ মুখ দেখিছিল আৰু তাৰ পিছৰ বছৰতেই জন্ম হৈছিল প্ৰবীণৰ৷ আজি দুবছৰমান আগেই ধনীৰাম প্ৰধানশিক্ষক পদত অৱসৰ গ্ৰহণ কৰে৷ যদিও শিক্ষক হিচাপে জীৱনটো উচৰ্গা কৰিছিল, তথাপি গাঁৱৰ মানুহে 'ধনী'ক "মাউত" বুলিহে বেছিকৈ সম্বোধন কৰে৷ এতিয়া তাৰ ল'ৰা প্ৰবীণেও সংসাৰ পাতি ঘৰ সজাৰ যো-জা চলাইছে৷ মুঠতে ধনীৰামৰ সকলো সপোন, সকলো আশা পূৰ্ণ হৈছে৷ জীৱনে ভাটি দিয়া এই সময়ত পুত্ৰ-সন্তানৰ পৰা যি বিচাৰিছিল 'ধনী'য়ে সকলোখিনি পাইছে৷

ট্ৰাকদুখন মালিনীহঁতৰ ঘৰৰ আগেৰে পাৰ হৈ গ'ল৷ সিহঁতৰ চোতালৰ গোলাপ কেইজোপাৰ ওপৰেৰে চঞ্চল মনেৰে উৰি ফুৰা দহিকতৰাটোয়ে কিছুসময় স্থিৰ হৈ ইফালে-সিফালে চালে; তাৰপিছত আকৌ আত্মবিভোৰ হৈ পৰিল৷ ৰাস্তাটো এই বেঙেনাবাৰী গাঁওখনৰ ঠিক সো-মাজেদিয়েই পাৰ হৈ গৈছে৷ ৰাস্তাৰ এফালে বিস্তীৰ্ণ পথাৰখন আৰু আনফালে মানুহৰ ঘৰবোৰ৷ একেৰাহে তিনিবাৰকৈ অহা বানপানীয়ে গাঁৱৰ মানুহৰ অতি কষ্টৰে কৰা শালি, আহুখেতিৰ প্ৰবল অনিষ্ট কৰিলে৷ কেৱল এইবছৰেই নহয়, প্ৰতি বছৰে৷ বানৰ প্ৰকোপৰ ফলতো যদি ক'ৰবাত কাৰোবাৰ এডৰা খেতি বাচিছে, শীতৰ কোমল ৰ'দকাঁচলিত চিকমিকাই থকা পথাৰৰ সেই উন্মুক্ত নৰাবোৰেই তাৰ নিদৰ্শন৷ একোটা সেমেকা মন লৈয়ে এইবাৰো গাঁৱৰ ৰাইজে ভোগালীক বিদায় দিলে৷ গাঁৱৰ কৃষিপ্ৰধান পৰিয়ালবোৰ একেবাৰে জুৰুলা হৈ পৰিছে; মনবোৰ ভাঙি গৈছে৷ কোনোবাই ৰাতিপুৱাই সেই উদং ভঁৰালঘৰটোলৈ চাই নীৰৱে চকুলো টুকিছে৷ কোনোৱে আকৌ মনত সাহস গোটাই সাঁচতীয়া ধন ভাঙি বৰোধানৰ খেতি কৰিবলৈ মগ্ন হৈ পৰিছে আৰু আন বহুতেই খেতিৰ মায়া ত্যাগ কৰি ভাত মুঠিকে মোকলাবলৈ অসমৰ বাহিৰত কিবা কাম কৰিবলৈ ঢাপলি মেলিছে৷ দুৰ্ভীক্ষৰ এজাক কঠোৰ ধুমুহা গাঁৱৰ প্ৰত্যেকজনৰ মূৰৰ ওপৰেৰে অনবৰতে অহা যোৱা কৰি ৰৈছে৷

দুপৰীয়াটোৰ এই অস্থিৰতাবোৰৰ বাবে এঘুমটি মাৰিবলৈ চেষ্টা কৰিও মনেশ্বৰ বাৰে বাৰে বিফল হ'ল । মনেশ্বৰ মানে 'বাঢ়ৈ মনেশ্বৰ'৷ মালিনীৰ দেউতাক৷ কিবা এটা অজান ভয়ে আজি বাঢ়ৈক চেপি ধৰি আছে৷ বুকুখনো বৰ ধৰফৰাই আছে৷ নহ'বনো কিয় ? দুদিন ধৰি পেটলৈ খুদকণ এটাও যোৱা নাই৷ সি নিজৰ কথা নাভাবিলেও তাৰ ১২ বছৰীয়া জীয়েকজনী আৰু নৰিয়াত ভুগি এমাহ ধৰি বিচনাত পৰি থকা ঘৈণীয়েকজনীৰ কথা ভাবিলেই দুখত জৰ্জৰিত হৈ পৰে৷ চিঞৰি চিঞৰি নেদেখাজনক কয়, 'হে ঈশ্বৰ, এয়া কি ৰং চাইছা... কিহৰ প্ৰতিদান দিছা ?' থৰকবৰককৈ বাহিৰলৈ ওলাই আহি সি বাৰাণ্ডাতে পৰি থকা কিছুদিন আগতে সজা 'জাকৈ' খনকে লিৰিকি-বিদাৰি থাকিল৷

হঠাৎ স্মৃতিৰ এটা মধুৰ অধ্যায় তাৰ চকুৰ আগেৰে পাৰ হৈ গ'ল। কেইবছৰমান আগলৈকে যে দিনবোৰ কিমান সুখৰ আছিল। খেতিৰ সময় আহিল বুলিলেই 'মনেশ্বৰ'ক বিচাৰি মানুহৰ উশাহ নোহোৱা হৈছিল। বিধে বিধে খেতিৰ সামগ্ৰী সজাবলৈ মানুহে ঘৰ ভৰি থাকিছিল। কাৰোবাক বোলে নাঙলটোহে, কাৰোবাক আকৌ মৈ' খনহে।
কেৰল সেয়াইনে, পল'হ, জাকৈ, খালৈ আদিকে ধৰি নানান মাছ ধৰা সঁজুলিৰ বাবে দূৰদূৰণিৰ পৰাও বাঢ়েক বিচাৰি মানুহ ঘৰ ওলাইছিলহি। সেই দিনটো আজিও তাৰ স্পষ্টকৈ মনত আছে। সেইদিনা দেওবৰীয়া হাটৰ পৰা ঘৰ উভটোতে বাঢ়েৰ কিছু পলম হৈছিল। প্ৰায় সাঁজ লাগিছিলেই। ঘৰ পাই দেখে ওচৰৰ গাঁৱৰ পোনাকণ আহি বাৰাণ্ডাতে বহি আছে। কথা পাতি গম পালে যে সি পুৱাৰ পৰাই ইয়াত বহি আছেহি। খেতিৰ সময়, নাঙল দুটামানৰ বৰ প্ৰয়োজন। বেলেগ এদিন আহিব নোৱাৰে, কাৰণ তাৰ গাঁওখন ইয়াৰ পৰা বহু দূৰ। সেই ৰাতিয়েই বাঢ়েয়ে তাক নাঙল সাজি দিওঁতেহে ৰক্ষা। অতীতে আজি তাক বৰকৈ আমনি কৰিছে। তেনেতে কাৰোবাৰ মাতত বাঢ়েৰ সম্বিত ঘূৰি আহিল।
এটা বৃহৎ শব্দ কৰি মাটি কঢ়িওৱা ট্ৰাক দুখন গাঁওখনৰ জৰাজীৰ্ণ পকী ৰাস্তাটোৰে পাৰ হৈ গ'ল। শীতৰ এই কোমল দুপৰীয়াটোৰ মৌনতা ভংগ হ'ল আৰু গোটেই পৰিৱেশটো ধূলিৰে আৱৰি ধৰিলে। আজি ৰাতিপুৱাৰে পৰা প্ৰায় আধাঘণ্টাৰ মূৰে মূৰে এই ট্ৰাকবোৰ গাঁওখনৰ সিমূৰৰ পৰা অহা-যোৱা কৰি আছে। সেই নামঘৰ চুকৰ ধনীৰাম মাউতৰ একমাত্ৰ ল'ৰা প্ৰবীণে যোৱাকালি চাকৰিৰ পৰা এমাহৰ চুটি লৈ ঘৰলৈ আহিছে; যোৰহাটৰ এখন চাহ-বাগানৰ চাকৰি। আৰু গাঁৱৰ পৰা নিলগত কেইদিনমান পূৰ্বে কিনি থোৱা মাটিত নতুন এটা ঘৰ সাজিবলৈ মন মেলিছে; এয়া তাৰেই প্ৰস্তুতি চলিছে। প্ৰবীণৰ দেউতাক ধনীৰামে ডেকাবয়সত মাউতৰ প্ৰশিক্ষণ লৈ কামত নিয়োজিত হৈছিল যদিও তেওঁৰ কিছু পঢ়া-শুনা থকাৰ বাবে গাঁৱত নতুনকৈ নিৰ্মান কৰা মজলীয়া বিদ্যালয়খনত অসমীয়াৰ শিক্ষক হিচাপে কিছুদিন পিছতেই নিযুক্তি পাইছিল। কেইবছৰমান অবৈতনিকভাৱে চাকৰি কৰিছিল যদিও নিৰ্মলাক বিয়া কৰি অনাৰ পিছতেই সুখৰ মুখ দেখিছিল আৰু তাৰ পিছৰ বছৰতেই জন্ম হৈছিল প্ৰবীণৰ। আজি দুবছৰমান আগেই ধনীৰাম প্ৰধানশিক্ষক পদত অৱসৰ গ্ৰহণ কৰে। যদিও শিক্ষক হিচাপে জীৱনটো উচৰ্গা কৰিছিল, তথাপি গাঁৱৰ মানুহে 'ধনী'ক "মাউত" বুলিহে বেছিকৈ সম্বোধন কৰে। এতিয়া তাৰ ল'ৰা প্ৰবীণেও সংসাৰ পাতি ঘৰ সজাৰ যো-জা চলাইছে। মুঠতে ধনীৰামৰ সকলো সপোন, সকলো আশা পূৰ্ণ হৈছে। জীবনে ভাটি দিয়া এই সময়ত পুত্ৰ-সন্তানৰ পৰা যি বিচাৰিছিল 'ধনী'য়ে সকলোখিনি পাইছে।

ট্ৰাকদুখন মালিনীহঁতৰ ঘৰৰ আগেৰে পাৰ হৈ গ'ল। সিহঁতৰ চোতালৰ গোলাপ কেইজোপাৰ ওপৰেৰে চঞ্চল মনেৰে উৰি ফুৰা দহিকতৰাটোয়ে কিছুসময় স্থিৰ হৈ ইফালে-সিফালে চালে; তাৰপিছত আকৌ আত্মবিভোৰ হৈ পৰিল। ৰাস্তাটো এই বেঙেনাবাৰী গাঁওখনৰ ঠিক সো-মাজেদিয়েই পাৰ হৈ গৈছে। ৰাস্তাৰ এফালে বিস্তীৰ্ণ পথাৰখন আৰু আনফালে মানুহৰ ঘৰবোৰ। একেৰাহে তিনিবাৰকৈ অহা বানপানীয়ে গাঁৱৰ মানুহৰ অতি কষ্টৰে কৰা শালি, আহুখেতিৰ প্ৰবল অনিষ্ট কৰিলে। কেৱল এইবছৰেই নহয়, প্ৰতি বছৰে। বানৰ প্ৰকোপৰ ফলতো যদি ক'ৰবাত কাৰোবাৰ এডৰা খেতি বাচিছে, শীতৰ কোমল ৰ'দকাঁচলিত চিকমিকাই থকা পথাৰৰ সেই উন্মুক্ত নৰাবোৰেই তাৰ নিদৰ্শন। একোটা সেমেকা মন লৈয়ে এইবাৰো গাঁৱৰ ৰাইজে ভোগালীক বিদায় দিলে। গাঁৱৰ কৃষিপ্ৰধান পৰিয়ালবোৰ একেবাৰে জুৰুলা হৈ পৰিছে; মনবোৰ ভাঙি গৈছে। কোনোবাই ৰাতিপুৱাই সেই উদং ভঁৰালঘৰটোলৈ চাই নীৰৱে চকুলো টুকিছে। কোনোৱে আকৌ মনত সাহস গোটাই সাঁচতীয়া ধন ভাঙি বৰোধানৰ খেতি কৰিবলৈ মগ্ন হৈ পৰিছে আৰু আন বহুতেই খেতিৰ মায়া ত্যাগ কৰি ভাত মুঠিকে মোকলাবলৈ অসমৰ বাহিৰত কিবা কাম কৰিবলৈ ঢাপলি মেলিছে। দুৰ্ভীক্ষৰ এজাক কঠোৰ ধুমুহা গাঁৱৰ প্ৰত্যেকজনৰ মূৰৰ ওপৰেৰে অনবৰতে অহা যোৱা কৰি ৰৈছে।

দুপৰীয়াটোৰ এই অস্থিৰতাবোৰৰ বাবে এঘুমটি মাৰিবলৈ চেষ্টা কৰিও মনেশ্বৰ বাৰে বাৰে বিফল হ'ল। মনেশ্বৰ মানে 'বাঢ়ৈ মনেশ্বৰ'। মালিনীৰ দেউতাক। কিবা এটা অজান ভয়ে আজি বাঢ়ৈক চেপি ধৰি আছে। বুকুখনো বৰ ধৰফৰাই আছে। নহ'বনো কিয় ? দুদিন ধৰি পেটলৈ খুদকণ এটাও যোৱা নাই। সি নিজৰ কথা নাভাবিলেও তাৰ ১২ বছৰীয়া জীয়েকজনী আৰু নৰিয়াত ভুগি এমাহ ধৰি বিচনাত পৰি থকা ঘৈণীয়েকজনীৰ কথা ভাবিলেই দুখত জৰ্জৰিত হৈ পৰে। চিঞৰি চিঞৰি নেদেখাজনক কয়, 'হে ঈশ্বৰ, এয়া কি ৰং চাইছা... কিহৰ প্ৰতিদান দিছা ?' থৰকবৰককৈ বাহিৰলৈ ওলাই আহি সি বাৰাণ্ডাতে পৰি থকা কিছুদিন আগতে সজা 'জাকৈ' খনকে লিৰিকি-বিদাৰি থাকিল। হঠাৎ স্মৃতিৰ এটা মধুৰ অধ্যায় তাৰ চকুৰ আগেৰে পাৰ হৈ গ'ল। কেইবছৰমান আগলৈকে যে দিনবোৰ কিমান সুখৰ আছিল। খেতিৰ সময় আহিল বুলিলেই 'মনেশ্বৰ'ক বিচাৰি মানুহৰ উশাহ নোহোৱা হৈছিল। বিধে বিধে খেতিৰ সামগ্ৰী সজাবলৈ মানুহে ঘৰ ভৰি থাকিছিল। কাৰোবাক বোলে নাঙলটোহে, কাৰোবাক আকৌ মৈ' খনহে। কেৱল সেয়াইনে, পল'হ, জাকৈ, খালৈ আদিকে ধৰি নানান মাছ ধৰা সঁজুলিৰ বাবে দূৰদূৰণিৰ পৰাও বাঢ়ৈক বিচাৰি মানুহ ঘৰ ওলাইছিলহি। সেই দিনটো আজিও তাৰ স্পষ্টকৈ মনত আছে। সেইদিনা দেওবৰীয়া হাটৰ পৰা ঘৰ উভটোতে বাঢ়ৈৰ কিছু পলম হৈছিল। প্ৰায় সাঁজ লাগিছিলেই। ঘৰ পাই দেখে ওচৰৰ গাঁৱৰ পোনাকণ আহি বাৰাণ্ডাতে বহি আছে। কথা পাতি গম পালে যে সি পুৱাৰ পৰাই ইয়াত বহি আছেহি। খেতিৰ সময়, নাঙল দুটামানৰ বৰ প্ৰয়োজন। বেলেগ এদিন আহিব নোৱাৰে, কাৰণ তাৰ গাঁওখন ইয়াৰ পৰা বহু দূৰ। সেই ৰাতিয়েই বাঢ়ৈয়ে তাক নাঙল সাজি দিওঁতেহে ৰক্ষা। অতীতে আজি তাক বৰকৈ আমনি কৰিছে। তেনেতে কাৰোবাৰ মাতত বাঢ়ৈৰ সম্বিত ঘূৰি আহিল।

: ককাইদেউ বহিছে...

: অ', সেইটো অজিৎ নহয়নে, কেতিয়া আহিলি হ'বলা ?

: ককাইদেউ আজি দুমাহেই হ'ল..

এইবাৰ মনেশ্বৰে মূৰ দুপিয়ালে।

অজীৎ মানে পানীৰামৰ একমাত্ৰ ল'ৰা। বহুবছৰ আগতে গাঁৱৰ সেই মজলীয়া বিদ্যালয়খনৰ চকীদাৰ আছিল পানীৰাম। সৰুতেই মাক ঢুকোৱা ঘৰখনত, দেউতাক জীয়াই থকালৈকে একো সমস্যাই দেখা দিয়া নাছিল। এৰা-ধৰাৰ মাজেৰে ধুনীয়াকৈ চলি আছিল। সি বৰবাবু হৈ দেউতাকৰ লগতে গাঁওখনৰ নাম উজ্জ্বল কৰক বুলিয়েই পানীৰামে অশেষ কষ্ট কৰি তাক পঢ়ুৱালে। পিছে, কি হ'ব। দেউতাকৰ কিডনী ফেইল হৈ হঠাৎ মৃত্যু হোৱাত সি বি.এ ফাইনেলৰ শেষৰটো পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলে। তাতেই পঢ়া সাং কৰি সৰু চাকৰি এটাৰ সন্ধানত সি বহু বাটকুৰি বাই ফুৰিলে। কিন্তু, সফল নহ'ল। এইবোৰৰ আশা বাদ দি অৱশেষত সি খেতিত আত্মনিয়োগ কৰিলে। সকলো ঠিকেই চলি আছিল। দেউতাকৰ দিনৰ চন পৰি থকা দুবিঘাকৈ মাটিত খেতি কৰি দুবছৰৰ ভিতৰতে সি চহকী হৈ পৰিল। কিন্তু, এই আনন্দও যেন আছিল ক্ষন্তেকীয়া। তাৰ পিছৰ বছৰৰ পৰা বানে চলোৱা তাণ্ডৱে তাৰ লগতে গাঁৱৰ সকলো খেতিয়কৰ দুৰৱস্থা নমাই আনিলে। নিঃসংগতা দূৰ কৰিবলৈ গাঁৱৰে পদ্ম পুৰুহিতৰ দ্বিতীয় কন্যা প্ৰমীলাক বিয়া কৰালে। বিয়াৰ ছমাহৰ পিছতে কাম বিচাৰি সি গুৱাহাটীলৈ বুলি ওলাল। এবছৰ তাত এখন হোটেলত কাম কৰি এদিন আকৌ ঘৰলৈ উভতিল। সি বোলে হোটেলৰ মালিকৰ সৈতে সময়মতে টকা নোপোৱাৰ বাবে কাজিয়া কৰি আহিছে। কিন্তু, এটা ভাল খবৰে তালৈ অপেক্ষা কৰি আছিল। ঘৰ আহি দেখে প্ৰমীলাৰ ছোৱালী এজনী হৈছে, আজি এমাহ।

খং, বিৰক্তি সকলো পাহৰি তাৰ মুখত পুৰণিকলীয়া সেই উন্মাদ হাঁহিটো আকৌ বিৰিঙি উঠিল। কন্যা সন্তানৰ মোহে তাক আৰু কেতিয়াও বাহিৰলৈ যাব নিদিলে। কিছু সাহস গোটাই সি আকৌ খেতিতে ধৰিছে। কেইদিনমান পিছত হাঁহ-কুকুৰা, ব্ৰইলাৰ, বঁটাচৰাই আদি পালনৰ প্ৰশিক্ষণ এটা ল'বলৈ গুৱাহাটীলৈ যোৱাৰ কথাও মনতে পাঙি আছে, শুনিছে সেইবোৰত বহুত লাভ। কণমানি জীয়েকজনীৰ ভবিষ্যতৰ কথা চিন্তা কৰি যিকোনো কঠিন কাম কৰিবলৈকে সি এতিয়া নিজকে প্ৰস্তুত কৰি তুলিছে।

কৃষি-সংকটৰ অনাকাংক্ষিত সমস্যাই কৃষকৰ অশেষ ক্ষতি সাধন কৰাৰ উপৰি ইয়াৰ লগত জড়িত সকলোৰে বাবে নমাই আনিছে এক চিৰন্তন বিভীষিকা। কুমাৰ, বাঢ়ৈ আদি লোকসকল অনাহাৰত পতিত হৈছে। মনেশ্বৰ বাঢ়ৈও তাৰে ভিতৰত এজন। ঘৈণীয়েক সবিতাই তাৰ উপাৰ্জন নোহোৱা দিন ধৰি শয্যাসায়ী হোৱালৈকে কিমান যে কষ্ট কৰা নাই। গাঁৱৰ পৰা ২০ কিঃমিঃ দূৰৰ মহাজনৰ পথাৰৰ ধান ৰোৱাৰ পৰা কঁটালৈকে, তাঁতবোৱা আৰু কেতিয়াবা বেলেগৰ ঘৰুৱা কাম পৰ্যন্ত কৰালৈকে অশেষ কষ্ট সহ্য কৰিছে। জীয়েক মালিনীয়েও অষ্টম শ্ৰেণীতে স্কুল এৰিলে। তাই দিনৰ দিনটো এতিয়া তাঁত বয়। মাকক চোৱা-চিতা কৰে। কেতিয়াবা ঘৈণীয়েকে তাক বিচনাৰ পৰাই ঘোলা চকুদুটা লাহেকৈ মেলি কয়, 'কিবা এটা বেলেগ কামকে বিচাৰি যাওক।' কিন্তু, এই বেমাৰী মানুহজনীক অকলে এৰি সি ক'লৈ যাব, কি বিচাৰি যাব ! বাপতিসাহোন বৃত্তিটো এৰি সি বেলেগ কামত কেনেকৈ মন বহুৱাব ! এই যন্ত্ৰণাবোৰ সহিব নোৱাৰি এদিন সি আত্মহত্যাৰ পথ বাচি লৈছিল। কিন্তু, সি নোৱাৰিলে... জীয়েকৰ শীৰ্ণ মুখখন আৰু ঘৈণীয়েক সবিতাৰ একেথৰে চাই থকা ঘোলা চকুযুৰি তাৰ মনত ভাঁহি আহিল। কথাবোৰকে ভাবি ভাবি কেতিয়া সি ঘৰৰ ওচৰৰ মন্দিৰটোত প্ৰৱেশ কৰিলে গমকেই নাপালে। ভগবানকেই তাৰ অন্তৰৰ বেদনাবোৰ দোহাৰিম বুলি আগবাঢ়োতেই তাৰ বুকুৰ ধৰফৰণিটো আৰু বেছিকৈ বাঢ়ি আহিল। মূৰটো আচগুাই ধৰিলে। সি মন্দিৰৰ কাষৰ আঁহতজোপাৰ তলতে বহি পৰিল। একান্তচিত্তে ঈশ্বৰক ধ্যান কৰিব ল'লে। আৰু কিছুসময়ৰ পিছতেই বাঢ়ৈৰ শৰীৰটো জঠৰ হৈ পৰিল। বিতৃষ্ণ নয়নেৰে মাথোঁ চাই ৰ'ল তাৰ আধা জহি খহি যোৱা ঘৰটোলৈ। হঠাতে হৈ-চৈ লাগিল। কোনোবাই চিঞৰিলে, 'ঐ, কোন ক'ত আছ', বাঢ়ৈৰ কি হৈছে... ওলাই আহ..চোন, ঐ।' অজিৎ, প্ৰমীলা, মালিনী সকলো দৌৰি আহিল। মালিনীয়ে দেউতাকক সাবটি ধৰি হুক-হুকাই কান্দিলে। এটা-দুটাকৈ মানুহ আহি মনেশ্বৰ বাঢ়ৈৰ নিথৰ দেহটোক আগুৰি ধৰি চকুলো টুকিলে। মাটি কঢ়িওৱা ট্ৰাক দুখন ৰাস্তাৰ ধূলি উৰুৱাই তেতিয়াও অহা-যোৱা কৰি থাকিল....


তেনেতে মন্দিৰৰ 'ৰমা পূজাৰী'য়ে স্বগতোক্তি কৰিলে, 'জীৱনে আমাক সুখ-দুখ, মিলন-বিচ্ছেদ, এই সকলোবোৰ দি যায়; কিন্তু, এই কোনোটোৱেই স্থায়ী নহয়, কাৰো ওপৰতেই আমি নিয়ন্ত্ৰণ ৰাখিব নোৱাৰোঁ। একমাত্ৰ মৃত্যু, যি শ্ৰেয়, যাক অনুভৱ কৰাৰ আমাৰ সকলোৰে অধিকাৰ আছে, যি আমাক জীৱন নামৰ বিলাসীতাৰ পৰা বহু দূৰলৈ লৈ যায়...।'

লাহে লাহে এই বিমৰ্ষ দুপৰীয়াটো সন্ধ্যাৰ এটি কৰুণ সুৰত বিলীন হৈ পৰিল।

ডা: মনোজ কুমাৰ নাথ
স্নাতকোত্তৰ


# ART GALLERY







***ART BY ~ DEEPJYOTI DAS 23 VK***






***ART BY ~***
***DEEPJYOTI DAS***
***23 VK***











***ART BY ~***
***MAYURI DAS***
***23 VK***




ART BY ~
RITURAJ GOGOI
25 VK











ART BY ~
RITURAJ GOGOI
25 VK







*ART BY ~*
*BRISHAV HALOI,*
*22 VK*

*ART BY ~*
*ANKITA BHARADWAZ,*
*24 VK*



# GLIMPSES:
# STUDENT UNION 25-26








***Teachers Day Celebration~ 2025***




***Freshmen Social~ 2025***




***Go As You Like Event~ 2025***





*SNAPSHOTS From*
*Freshmen Social 2025*





*Paying condolence to the great icon,*
*Zubeen Garg*





*Celebration of Bhupen Hazarika's 100th birth anniversary*



*Winners of Dance competition to commemorate Zubeen Garg on his 53rd birth anniversary*

# LAST YEAR'S WALL MAGAZINE OF OUR COLLEGE



*ASSAM TYPE HOSTEL*



*Kalaguru Bishnu Rabha Hostel(KBR), HOSTEL*

*NEW GIRLS HOSTEL*






***MAINS HOSTEL (WESTERN WING)***




***MAINS HOSTEL (EASTERN WING)***





***GIRLS HOSTEL 1***




***GIRLS HOSTEL 2***




***TEMPORARY GIRLS HOSTEL***




***PG HOSTEL***




***VET VIEW 24-25***

# Thank You

